# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII YEAR OF OUR LORD JESUS CHRIST, OCTOBER 2022 No. 4


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক !

গীতমালা ৭৩ ঃ ১-১০

১। অৱশ্যে ঈশ্বৰ ইস্ৰায়েললৈ মঙ্গলজনক; তেওঁ শুদ্ধ-চিত্তীয়াবিলাকলৈ শুভ কৰোঁতা।

২। কিন্তু মোৰ ভৰি হ'লে প্ৰায় লৰিছিল; মোৰ খোজ প্ৰায়ে পিছলি গৈছিল।

৩। কিয়নো, মই যেতিয়া দুষ্টবোৰৰ মঙ্গল দেখিছিলোঁ তেতিয়া অহঙ্কাৰী লোকলৈ মোৰ অসূয়া জন্মিছিল।

৪। কাৰণ সিহঁতে মৃত্যু-যন্ত্ৰণা নাপায়; কিন্তু সিহঁত সবল হৈ থাকে।

৫। সিহঁতে আন মানুহৰ দৰে দুখ নাপায়, আৰু অন্যৰ নিচিনাকৈ সিহঁত প্ৰহাৰিতো নহয়।

৬। এই হেতুকে অহঙ্কাৰ সিঁহতৰ গলৰ হাৰস্বৰূপ;
অত্যাচাৰ সিঁহতৰ আৱৰণ-বস্ত্ৰস্বৰূপ।

৭। সিঁহতৰ গাত তেল বেচি হোৱাত সিঁহতৰ চকু ওপৰতে ওলাই থাকে; সিঁহতৰ মনৰ কল্পনা উপচি পৰা।

৮। সিঁহতে ইতিকিং কৰে আৰু দুষ্ঠতাৰে উপদ্ৰৱৰ কথা পাতে; সিঁহতে গৰ্ব কথা কয়।

৯। সিঁহতৰ মুখে স্বৰ্গ ঢুকি পায়, আৰু সিঁহতৰ জিবাই পৃথিৱী ভ্ৰমণ কৰে।

১০। এই হেতুকে সিঁহতৰ লোকসমূহ সেই ফালে ঘূৰে,আৰু ভৰি থকা পান-পাত্ৰৰ জল তেনেই পান কৰে।

# এক লক্ষ্যভিত্তিক ব্যক্তিৰ দৰে পৰিৱৰ্তন হওঁক!

## CHANGE AS GOAL ORIENTED PERSON!

### এক উচ্চাভিলাষৰ সৈতে থকা এজন লক্ষ্যভিত্তিক লোক তেওঁৰ নিজৰ জীৱনতকৈ মহান

(কেন্দ্ৰ মণ্ডলীত পালক এচ, চাম ছেলভা ৰাজে দিয়া বাৰ্তা)

এই পৃথিৱীত বাস কৰা বহুত মানুহে এক বিশেষ উচ্চাভিলাষৰ সৈতে জীয়াই থাকে। আমি, খ্ৰীষ্টিয়ানবিলাকৰ কেৱল জাগতিক জীৱনত উচ্চাভিলাষ থাকিব লাগে এনে নহয়, কিন্তু আত্মিক জীৱনতো উচ্চাভিলাষ থাকিব লাগে। এটি বিশেষ জীৱন-যাপন কৰিবলৈ হ'লে এজনৰ শক্তিশালী আত্মিক ভেটি থাকিব লাগে। যদি এজন মানুহৰ আত্মিক উচ্চাভিলাষ নাথাকে, তেওঁ সুখী জীৱন-যাপন কৰিব নোৱাৰে।

যদি এজন মানুহে তেওঁৰ জীৱনত কিবা উত্তম বিচাৰে, তেন্তে তেওঁৰ ভাৱনাত স্বাতন্ত্ৰ্য থাকিব লাগে। যিবিলাকৰ জীৱনত ভাল উচ্চাভিলাষ থাকে তেওঁবিলাকে সময়ৰ মতে সলনি নহয়। এনে মানুহবিলাকে তেওঁবিলাকে পোৱা আত্মিক দৰ্শনত সদায় বলৱান হৈ থাকে। আমি যি বিশ্বাস কৰোঁ, তাত যদি আমি স্পষ্ট নহওঁ, তেন্তে আমি কৃতকাৰ্যতাৰ জীৱনত চলাই যাব নোৱাৰো।

যিবিলাকে তেওঁবিলাকৰ বিশ্বাসক সলনি কৰি থাকে তেওঁবিলাকক কেৰমেৰকৈ চলা সাপৰ লগত তুলনা কৰিব পাৰি। কেৱল যিবিলাকে নিজৰ বিশ্বাসত অলৰ হৈ থাকে, তেওঁবিলাকহে ডাঙৰ চলাওঁতা হ'ব পাৰে আৰু আনবিলাকলৈয়ো আশীৰ্বাদৰ সোঁত স্বৰূপ হৈ পৰিব। "তেওঁ দুই মনৰ মানুহ, নিজৰ সকলো গতিতে অস্থিৰ" (যাকোব ১ঃ৮)।

### ১। যিবিলাক মানুহ ঈশ্বৰৰ আৰাধনা আৰু সেৱা কৰাত উচ্চাভিলাষী !

আমি যিহোচুৱা ২৪ঃ১৫ পদ পঢ়িলে এইদৰে পাওঁ "যদি যিহোৱাৰ আৰাধনা কৰাত বেয়া লাগিছে মই আৰু মোৰ পৰিয়ালে হ'লে যিহোৱাৰেই আৰাধনা কৰিম। যাৰ আৰাধনা কৰিবা, তাক আজি মনোনীত কৰিম।" এইটো সত্য যে আমি সকলোৱে যীচু খ্ৰীষ্টৰ পৰিচৰ্যা কৰি আছো। কিন্তু আমি প্ৰভু যীচু খ্ৰীষ্টৰ পৰিচৰ্যা প্ৰকৃততে কৰিছোনে ?

যেতিয়া আমি ২৪ অধ্যায়ত যিহোচুৱাৰ জীৱনৰ বিষয়ে পঢ়ো, আমি বুজি পাওঁ যে যিহোচুৱা ডাঙৰ প্ৰত্যাহবানৰ সন্মুখীন হৈছিল। ঈশ্বৰে যিহোচুৱাক ক'লে, "মই মিচৰৰ পৰা

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



(ECHO GROUP)



*Pr. Sam Selva Raj with daughter Angeline and son Alex*

**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**

Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**

Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**

Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Rev. Dr. K.R. Rajasekaran
Dr. A. Richard Samuel, M.A., Ph.D.

**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**CORE LEADERS**

Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah

**E.mail ID**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call


**"... I will not fail thee, nor forsake thee."**
**- Joshua 1:5.**

ঈশ্বৰত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ মধুৰ নামত আপোনালোকক শুভেচ্ছা জনাওঁ।

জগতলৈ ঈশ্বৰে তেওঁৰ বাক্যক প্ৰচাৰ কৰিবলৈ আমালৈ তেওঁৰ আচৰিত আশীৰ্বাদবোৰক অৰ্পিত কৰাৰ বাবে তেওঁৰ প্ৰশংসা কৰো।






*Nehemiah Bible College*




*St. Paul's Matriculation School*

আমালৈ আপোনালোকে আগবঢ়োৱা আপোনালোকৰ প্ৰেম, যত্ন আৰু সহায়বোৰৰ বাবে ধন্যবাদ জনাওঁ।

আমাৰ প্ৰভু যীচুৰ অনুগ্ৰহৰ দ্বাৰাই আমি আমাৰ কাৰ্য্যকলাপবিলাকৰ পৰা অধিক কাৰ্য্য পুনৰ আৰম্ভ কৰিছো। আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলখন শিক্ষাবিদসকলৰ এটি ভাল দল আমাৰ সৈতে কাৰ্য্য কৰিবলৈ আৰু ল'ৰা-ছোৱালীবিলাকক যুগুত কৰিবলৈ ঈশ্বৰে আশীৰ্বাদ কৰিছে। একেদৰে, আমাৰ নহিমিয়া বাইবেল কলেজখনে যোগাযোগ পাঠ্যক্ৰমৰ সৈতে মহিমান্বিত শুভবাৰ্তাক পৰৱৰ্তী প্ৰজন্মলৈ কঢ়িয়াই লৈ যাবলৈ গুৰুত্ব সহকাৰে ১৫ জন বিশিষ্ট শিক্ষাৰ্থীৰ সৈতে পুৰুষ আৰু মহিলাসকলক নিয়মীয়া আৰু বাসগৃহৰ ব্যৱস্থাৰ যোগেদি প্ৰশিক্ষণ দি আগবাঢ়ি গৈ আছে।

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ১৬ টা ভাষাত সহকাৰী অনুবাদক আৰু সহযোগী সহকাৰী অনুবাদকৰ সৈতে ২৫ গৰাকী বাইবেল বিদ্বানসকলে কাৰ্য্য কৰি আছে, তেওঁলোকৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ। আমাৰ প্ৰভু যীচুখ্ৰীষ্টই আমাৰ প্ৰশাসনিক কাৰ্যালয় আৰু ছপাশালত পৰিশ্ৰমী ঈশ্বৰৰ দাসকলক ঈশ্বৰৰ কাৰ্য্য আৰু দ্ৰুত গতিত আগবঢ়াই লৈ যাবলৈ আমাক আৰু অধিক দাসসকলৰ প্ৰয়োজন হৈছে।

আমাৰ কেন্দ্ৰ মণ্ডলীত তামিল, ইংৰাজী, তেলেগু আৰু হিন্দু ভাষাত পুৱা ৫ঃ৩০ বজাৰ পৰা সন্ধ্যা ৮ঃ০০ টা বজালৈকে ছয় বাৰ উপাসনা কৰা হয়। আমাৰ শাখা মণ্ডলীসমূহতো আমাৰ শাখাৰ আৰু তেওঁলোকৰ সহকৰ্মীসকলৰ যোগেদি বিভিন্ন স্থানত আৰু বিভিন্ন ভাষাতো কাৰ্য্যকলাপ বিলাক চলি আছে।

আমাৰ কেন্দ্ৰ মণ্ডলীত থকা আমাৰ কৰ্মীসকলে মিনি বাছেৰে প্ৰত্যেক দেওবাৰে আবেলি বেলাত স্থানীয় মণ্ডলীসমূহত পৰিদৰ্শন কৰে আৰু তাত শিশু পৰিচৰ্য্যা কৰে আৰু তেওঁলোকক ভাল নাগৰিক হিচাপে গঢ়ি তোলে। ৩১ আগষ্ট, ২০২২ তাৰিখেও গোটেই দিনজোৰা কাৰ্য্যসূচী লোৱা হৈছিল। আমাৰ মণ্ডলীৰ যুৱক-





*Sunday Church Services*

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) • BIBLECOR - Postal Courses (3 languages) • Online Courses • Theological Correspondence Courses (2 languages) • Church Planting • Nehemiah Bible Colleges • Gospel Printing Press • Great Commission Partners • St. Paul's Matriculation School • Crusades • Community Development

যুৱতীসকল, বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল আৰু মণ্ডলীৰ চলাওঁতা সকলৰ লগত মিলি এটা যুৱক সন্মিলন পতা হৈছিল। বাঙ্গালোৰৰ ৰেভাঃ ডাক্তৰ চান্নী প্ৰসাদ এজন শিক্ষক হিচাবে আছিল। গুজৰাটৰ পৰা অহা ৰেভাঃ নায়ান ৰানজান বিৰই আহি আমাৰ লগতে থাকিছিল আৰু ১৫ ৰ পৰা ২০ আগষ্ট তাৰিখলৈকে আমাৰ বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ ক্লাছ আয়োজন কৰিছিল।

ভাৰত আৰু ওচৰ-চুবুৰীয়া দেশসমূহত শুভবাৰ্তা আগবঢ়াই লৈ যাবৰ বাবে পৰিশ্ৰম কৰা এই পুৰুষ আৰু মহিলাসকলৰ বাবে আপোনালোকৰ প্ৰাৰ্থনাৰ প্ৰয়োজন হৈছে।

আপোনালোকৰ বাবে আমাৰ নিৰন্তৰ প্ৰাৰ্থনাৰ বাবে নিশ্চিত হওক। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com



*Rev. Sam Selva Raj &*
*Rev . Nayan Ranjan Beero*

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

তোমালোকৰ পিতৃবিলাকক উলিয়াই অনাৰ পাছত তোমালোকে যেতিয়া সমুদ্ৰ পালাহি, তেতিয়া মিচৰীয়ালোকে ৰথ আৰু অশ্বাৰোহী সৈন্য লৈ চূফ সমুদ্ৰলৈকে তোমালোকৰ ওপৰ পিতৃবিলাকৰ পাছে পাছে আহিল; তাতে তেওঁবিলাক যিহোৱাৰ আগত কাতৰোক্তি কৰিলত, যিহোৱাই মিচৰীয়াহঁতৰ আৰু তোমালোকৰ মাজত অন্ধকাৰ স্থাপন কৰিলে আৰু সিহঁতৰ ওপৰলৈ সমুদ্ৰ আনি, সিহঁতক ঢাকি পেলালে, মই তোমালোকৰ পিতৃবিলাকক ৰক্ষা কৰিবলৈ পথ উলিয়ালো। যিহোৱাই তেওঁবিলাকলৈ কৰা কাৰ্যৰ বিষয়ে বিৱৰণ কৰাৰ পাছত, এতিয়া যিহোচূৱাই প্ৰশ্ন কৰিছে, "**তোমালোকে কাৰ আৰাধনা কৰিবা?**"

ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ আমাৰ এক উচ্চাকাংখা থাকিব লাগে। সেই বিশ্বাসত ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ আমাৰ এক দৰ্শনৰ প্ৰয়োজন আছে। বহুত দুখৰ বিষয় যে আজিৰ দিনৰ ৰক্ষা পোৱা আৰু বাপ্তাইজিত লোকবিলাকে তেওঁবিলাকৰ পৰিস্থিতিৰ লগে লগে পৰিৱৰ্তন হৈ গৈছিল। ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ তেওঁবিলাকৰ দৰ্শনত তেওঁবিলাক শক্তিশালী নোহোৱাৰ বাবে, যেতিয়া পৰিস্থিতিৰ পৰিৱৰ্তন হয় তেওঁবিলাকে দৰ্শনক হেৰুৱাই দিয়ে! ঐশ্বৰিক দৰ্শনৰ অভাৱত প্ৰজাবিলাক অবাধ্য হয়" (হিতোপদেশ ২৯ঃ১৮)।

যিহোচূৱাই কয়, "**মই আৰু মোৰ পৰিয়ালে হ'লে যিহোৱাৰেই আৰাধনা কৰিম।**" "লোকবিলাকে উত্তৰ দি ক'লে, "আমি আন দেৱতাবোৰক পূজা কৰিবৰ নিমিত্তে যে যিহোৱাক ত্যাগ কৰিম, আমাৰ পৰা এনে কথা দূৰ হওক।" যি জন ব্যক্তিক আমি অতিকৈ প্ৰেম কৰো, আমি তেওঁকেই আৰাধনা কৰো। প্ৰভু ঈশ্বৰেও তেওঁৰ সন্তানবিলাকলৈ তেওঁকেই কেৱল আৰাধনা কৰাটো বিচাৰে। এই বিষয়ত তেওঁ আগ্ৰহী। যিবিলাকে সময় সলনি হোৱাৰ লগে লগে নিজৰ বিশ্বাস আৰু মত সলনি কৰে, তেওঁবিলাকৰ সৈতে ঈশ্বৰ সুখী নহয়। যিবিলাকৰ আত্মিক দৰ্শন আছে আৰু সেইদৰে জীৱন-যাপন কৰে কেৱল তেওঁবিলাকেই তেওঁ আশীৰ্বাদ কৰিব। যিম ানুহে এনে পৰিস্থিতিত পৰি ঈশ্বৰৰ আৰাধনাও কৰিব নোৱাৰে। বহুতে প্ৰভু যীচু খ্ৰীষ্টক গ্ৰহণ কৰিব বিচাৰে কিন্তু তেওঁবিলাকৰ সমাজে এনে কৰিবলৈ অনুমতি নিদিয়ে। কিন্তু মই আপোনালোকক সোঁৱৰাই দিব বিচাৰো যে, "ঈশ্বৰে তেওঁৰ সন্তানবিলাকক কেতিয়াও ত্যাগ নকৰিব।" তেওঁ গোটেই ঘৰখনক ৰক্ষা কৰিব ঃ "**প্ৰভু যীচুত বিশ্বাস কৰা, তেহে তুমি আৰু তোমাৰ ঘৰৰ সকলোৱে পৰিত্ৰাণ পাবা**" (পাঁচনিৰ কৰ্ম ১৬ঃ৩১)। ঈশ্বৰৰ বাক্যই প্ৰতিজ্ঞা কৰে যে পৰিয়ালৰ প্ৰত্যেক ব্যক্তিয়ে ৰক্ষা পাব, যদিহে সেই পৰিয়ালৰ এজন ব্যক্তিও প্ৰভু যীচুক গ্ৰহণ কৰে।

প্ৰকৃততে খ্ৰীষ্টক অনুসৰণ কৰা কোনো লোক বিপথগামী নহয়। আনকি আজিও আমি পাওঁ যে যিবিলাকে এই পৃথিৱীৰ মহান চলাওঁতা হৈছে তেওঁবিলাক ঈশ্বৰৰ প্ৰকৃত পৰিচৰ্যা কৰা লোক। ঈশ্বৰে নিজে সমস্ত পৃথিৱীৰ ওপৰত শাসন কৰি আছে। প্ৰত্যেক দেশৰ লোকে ঈশ্বৰৰ ক্ষমতাশালী নামত জ্ঞান পাই আহিছে। যিহোচূৱাৰ দৰে, আহক আমি সকলোৱে প্ৰভুৰ পৰিচৰ্যা কৰোহক আৰু আমাৰ পৰিয়ালৰ প্ৰত্যেকেই সদায় প্ৰভুৰ পৰিচৰ্যা কৰিবলৈ এক শক্তিশালী উচ্চাভিলাষ লওঁহক।

যদিহে আপুনি এজন 'গুপুত খ্ৰীষ্টিয়ান' আৰু মুকলিকৈ যীচু খ্ৰীষ্টক স্বীকাৰ কৰা নাই, তেন্তে আপোনাৰ জীৱন প্ৰণালী পৰিৱৰ্তন কৰিবলৈ সময় হৈছে যীচুৱে কয়, "**এতেকে মানুহৰ আগত যিকোনোৱে মোক স্বীকাৰ কৰে, স্বৰ্গত থকা মোৰ পিতৃৰ আগত ময়ো তেওঁক স্বীকাৰ কৰিম**" (মথি ১০ঃ৩২)।

আপোনাক সদায় ভয়াতুৰ জীৱন-যাপন কৰি থাকিবলৈ বাইবেলে অনুমতি নিদিয়ে। যদি আমাৰ প্ৰাৰ্থনা স্বৰ্গ ঢুকি পাব লাগে তেন্তে প্ৰভু যীচুৱে আমাৰ জীৱনত যি যি কাৰ্য কৰিছে তাক স্বীকাৰ কৰিব লাগে। গতিকে, সাহেৰে যীচুৰ বাবে জীয়াই থাকক। যীচু এনে এজন ঐতিহাসিকমূলক চৰিত্ৰ হয় যাৰ জীৱনত ঈশ্বৰে মহান কাৰ্য কৰিলে আৰু অতি প্ৰাকৃতিকভাৱে যোগাযোগ কৰিলে! যেতিয়া তেওঁৰ সমাজে ঈশ্বৰক সন্তোষ্ট কৰাত জীৱন-যাপনত ব্যৰ্থ হয় তেতিয়া তেওঁ তেওঁৰ ঈশ্বৰৰ দৃষ্টিত আৰু তেওঁৰ মানুহৰ সন্মুখত জয়যুক্ত জীৱন-যাপন কৰিলে আৰু আত্মিক জীৱনত তেওঁ বলৱান আছিল। ঠিক একেদৰেই, যদিও আপুনি অপ্ৰীতিকৰ পৰিস্থিতিৰ মাজত থাকে যদি আপুনি প্ৰভু যীচুৰ সেৱাত উচ্চাভিলাষী ব্যক্তিৰূপে থাকে আপুনি কৃতকাৰ্যৰে তাৰ পৰা ওলাই আহিব পাৰিব।

## ২। উচ্চাভিলাষীলোকে ঈশ্বৰক প্ৰথম স্থান দিয়ে!

বাইবেলে কয় যে, **"কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা, তাতে এই সকলো তোমালোকক দিয়া হ'ব"** (মথি ৬ঃ৩৩)যীচুৱে আমাক প্ৰথমে ঈশ্বৰৰ ৰাজ্য বিচাৰিবলৈ কৈছে। কিন্তু জাগতিক মানুহবিলাকে প্ৰথমে ধন বিচাৰে আৰু ভাবে যে ধনৰ যোগেদিহে কেৱল আনন্দ ভোগ কৰিব পাৰি! কিন্তু বাইবেলে ইয়াৰ বিপৰীতেহে কয়। যেতিয়া আপুনি ঈশ্বৰৰ ৰাজ্য ঢুকি পাবলৈ পথবোৰলৈ চাই, এই পৃথিৱীত এজনে পাবলগীয়া সকলো আশীৰ্বাদ তেওঁৰ পাছে পাছে আহিব। যেতিয়া আমি জাগতিক আশীৰ্বাদবিলাকৰ বাবে চিন্তা কৰো, যীচুৱে আমাক এইদৰে কয়, "হে অল্প বিশ্বাসীবিলাক" মথি (৬ঃ৩০), সাধাৰণতে, যি বস্তুৰ বিষয়ে আমি চিন্তা কৰিব লাগে তাৰ বাবে আমি চিন্তা নকৰো, পৰিৱৰ্তে আমি ক'ম গুৰুত্বপূৰ্ণ বস্তুবিলাকৰ বিষয়ে চিন্তা কৰো। যীচুৱে আমাক কয় যে আমি আহাৰ, কাপোৰ আৰু জাগতিক লাগতিয়াল বস্তুবিলাকৰ বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন নাই। যেতিয়া ঈশ্বৰে বনৰীয়া ফুলবোৰক ধুনীয়াকৈ ফুলিবলৈ দিছে আৰু বনৰীয়া চৰাই জীৱ-জন্তুলৈ আহাৰ যোগাই, তেওঁ আপোনাৰ আৰু মোৰ বাবে যোগাব নোৱাৰিবনে? যেতিয়া আমি যিহোচুৱাৰ বিষয়ে পঢ়ো, আমি ইয়াত এটি প্ৰশ্নৰ সন্মুখীন হওঁ। **"তুমি কিহৰ বাবে চিন্তিত হৈ আছা?"**

উত্তৰটো হৈছে, "আমি ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্মিকতা বিচৰাৰ বিষয়ে চিন্তা কৰিব লাগে।" কিন্তু আজিৰ খ্ৰীষ্টিয়ানবিলাকে প্ৰথমে জগতৰ আশীৰ্বাদবিলাক বিচাৰে আৰু জাগতিক বিষয়বস্তুত প্ৰথম স্থান দিয়ে, ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্মিকতা তেওঁবিলাকৰ বাবে দ্বিতীয় স্থানত থাকে। কিন্তু তেওঁবিলাকে মনত ৰখা উচিত যে তেওঁবিলাকে ব্যৰ্থতাৰ পথত যাত্ৰা কৰিছে।

অহ, ভাই আৰু ভনীসকল! আপুনি হতাশ আৰু পৰাজিত হৈছেনে? যদি আপুনি আপোনাৰ সকলো পৰিয়ালবৰ্গক গোট খুৱাই যীচুলৈ প্ৰাৰ্থনা কৰে, তেওঁ আপোনাৰ সকলো বোজা আৰু চিন্তাবোৰ দূৰ কৰিব; আপোনাৰ ধনবোৰ পৰিশোধ কৰা হ'ব; আপোনাৰ পৰিয়ালবৰ্গ আৰু সন্তানবিলাকে আশীৰ্বাদ পাব আৰু আপোনাৰ সন্তানবিলাকৰ ভৱিষ্যৎ ভাল হ'ব।

আপোনাৰ যৌৱনকালত যদি আপুনি শুদ্ধ জীৱন-যাপন কৰিবলৈ সিদ্ধান্ত লয়, যেতিয়া আপুনি বৃদ্ধ হ'ব আপুনি ঘূৰি চাব আৰু আপুনি দেখিব যে সঁচাকৈয়ে আপুনি এটা শুদ্ধ জীৱন-যাপন কৰিছিল! যিবিলাকে ঈশ্বৰক ভয় কৰে বাইবেলে তেওঁবিলাকক কয় যে, "কিয়নো তুমি নিজ হাতৰ শ্ৰমৰ ফল ভোগ কৰিবা।" (গীতমালা ১২৮ঃ২)। আপুনি স্বাধীন জীৱন-যাপন কৰিব। এনে আশীৰ্বাদবোৰ পাবলৈ হ'লে, ঈশ্বৰৰ ৰাজ্য বিচাৰিবলৈ চেষ্টা কৰক।

আপুনি ঈশ্বৰলৈ আগবঢ়োৱা পৰিচৰ্যা স্বাধীন বা আনুষ্ঠানিক হ'ব পাৰে। যেতিয়া আপুনি জাগতিক পুৰস্কাৰৰ বিষয়ে আগেয়ে আশা নকৰাকৈ পৰিচৰ্যা কৰিব ঈশ্বৰে আপোনাক স্বৰ্গৰ পৰা আশীৰ্বাদ কৰিবলৈ সন্তোষ পাব। আপোনাৰ পৰিচৰ্যা ডাঙৰ বা সৰু হ'ব পাৰে, আনন্দেৰে ইয়াক গ্ৰহণ কৰি সম্পূৰ্ণ হৃদয়েৰে পৰিচৰ্যা কৰক। ঈশ্বৰে তেওঁৰ সময়মতে সহায় আপোনাক যোগাব। এই পৃথিৱীত থকা ৰোগ, ব্যাধি আৰু দুখৰ মাজতো আনন্দ দিব। আমাৰ জীৱনৰ শেষলৈকে আমাৰ সকলো প্ৰয়োজনীয় বস্তু যোগোৱাত তেওঁ সমৰ্থ, যি আশীৰ্বাদবোৰ আমি ঈশ্বৰৰ হাতৰ পৰা পাওঁ সেইবোৰ সুস্থ, শুদ্ধ আৰু চমৎকাৰ হয়। **ওপৰত উল্লেখিত ঈশ্বৰৰ সকলো আশীৰ্বাদবোৰ পাবলৈ হ'লে আমি প্ৰথমে ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্মিকতা বিচৰা প্ৰকৃত উচ্চাভিলাষী ব্যক্তি হ'ব লাগিব!**

## গীৰ্জাত একেলগে গোট খাওক

আজিকালি আমি দেখো যে অনেক খ্ৰীষ্টিয়ানে দেওবাৰে গীৰ্জাত ঈশ্বৰৰ আৰাধনা কৰিবলৈ যোগদান নকৰে। এইদৰে তেওঁলোকে প্ৰমাণ কৰি দেখুৱায় দিয়ে যে, তেওঁলোকক ঈশ্বৰে দিয়া তেওঁলোকৰ নিজৰ মণ্ডলীত প্ৰকৃত বান্ধোন বা সংযোগ নাই, তেওঁলোকে ভুলকৈ চ'চিয়েল মিডিয়া, টেলিভিশনত ঈশ্বৰে দাসসকলে দিয়া বাৰ্তালৈ আকৰ্ষিত হৈছে আৰু তেওঁলোকে ঈশ্বৰে দিয়া পালকসকলৰ আৰু মণ্ডলীসমূহক পৰিত্যক্ত কৰি ৰাখে। এইটো বহুত বিপদজনক।

১। প্ৰভু যীচুখ্ৰীষ্টৰ প্ৰতিজন বিশ্বাসীয়ে ঈশ্বৰৰ সহায়ৰ দ্বাৰাই এজন ভাল পালক আৰু এটি ভাল মণ্ডলী বিচাৰি ল'ব লাগে।

৬ পৃষ্ঠাত চাওঁক


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE (ECHO GROUP)

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL ★ Estd. 1969

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान

सर्टिफिकेट इन थियोलॉजी – 1 साल

डिप्लोमा ऑफ थियोलॉजी – 2 साल

योग्यता 10 वी या अधिक
जल्दी करें!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২২ চনৰ ১৯ অক্টোবৰৰ পৰা ২০২২ চনৰ ১৮ নৱেম্বৰলৈ**

### প্ৰশংসাৰ বিষয়সমূহ

অক্টোবৰ ১৯ ঃ অনুগ্ৰহেৰে শুভবাৰ্তা নোপোৱা ঠাইসমূহত প্ৰৱেশ কৰিবলৈ সহায় কৰি আছে।

অক্টোবৰ ২০ ঃ অধিক বিশ্বাসীসকলৰ সৈতে আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীসমূহত তেওঁৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ২১ ঃ আমাৰ কেন্দ্ৰমণ্ডলীত পুৰুষসকল সমবেত হোৱাৰ বাবে।

অক্টোবৰ ২২ ঃ ১৬ টা ভাষাত আমাৰ পাব্লিকেশ্বনসমূহ আমাৰ ছপাশালত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত তেওঁৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ২৩ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে।

অক্টোবৰ ২৪ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আমাৰ মহিলাসকলৰ বাবে।

অক্টোবৰ ২৫ ঃ থিয়'ল'জীকেল চেমিনাৰসমূহ নিয়মীয়াকৈ আয়োজন কৰিবলৈ সমৰ্থ কৰি দিয়াৰ বাবে।

অক্টোবৰ ২৬ ঃ ১৯৬৯ চনৰ পৰা আমাৰ আলোচনী পৰিচৰ্য্যালৈ আমাৰ অঙ্গীকাৰৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ২৭ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালবৰ্গসকলৰ ওপৰত তেওঁৰ আশীৰ্বাদ বৰষাই দিয়াৰ বাবে।

অক্টোবৰ ২৮ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইব অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞা অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ তেওঁৰ দয়াৰ বাবে।

অক্টোবৰ ২৯ ঃ তেওঁৰ আহ্বানৰ পৰিচৰ্য্যাসমূহৰ ৫৪ তম্ বৰ্ষত প্ৰৱেশ কৰিবলৈ তেওঁৰ মহান আশীৰ্বাদৰ বাবে।

অক্টোবৰ ৩০ ঃ ৫৪ তম বৰ্ষত প্ৰৱেশৰ সোঁৱৰণী সভা আয়োজন কৰাত আমাক সহায় কৰাৰ বাবে।

অক্টোবৰ ৩১ ঃ আন আন পৰিচৰ্য্যাসমূহকো সহায় কৰাত আমাক সমৰ্থ কৰি আছে।

নৱেম্বৰ ০১ ঃ যোৱা মাহত আমাৰ আত্মিক প্ৰয়োজনসমূহ আৰু আৰ্থিক সহায় যোগোৱাৰ বাবে।

নৱেম্বৰ ০২ ঃ তেওঁৰ আহ্বান প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ যোৱা মাহৰ আমাৰ কাৰ্য্যকলাপবিলাকৰ বাবে।

নৱেম্বৰ ০৩ ঃ আমাৰ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গৰ ওপৰত ঈশ্বৰৰ অসীম আশীৰ্বাদৰ বাবে।

### প্ৰাৰ্থনাৰ বিষয়সমূহ

নৱেম্বৰ ০৪ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গসকলৰ বাবে।

নৱেম্বৰ ০৫ ঃ আমাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

নৱেম্বৰ ০৬ ঃ আমাৰ ভনী জেচি ভিনা চাম ছেলভা ৰাজ, তেওঁ পুনৰ ৰোগত ভুগিছে।

নৱেম্বৰ ০৭ ঃ আমাৰ পালকে তেওঁ আত্মজীৱনী লিখাত কৃতকাৰ্য্য হ'বৰ বাবে।

নৱেম্বৰ ০৮ ঃ সকলো খ্ৰীষ্টিয়ান অনুস্থান আৰু মিশ্বনেৰীসকলৰ বাবে।

নৱেম্বৰ ০৯ ঃ পৃথিৱীৰ আটাই দেশসমূহৰ পৰা কৰুণা ভাইৰাচ ঈশ্বৰে গুচাই দিবৰ বাবে।

নৱেম্বৰ ১০ ঃ পৃথিৱীত শান্তিৰ বাবে।

নৱেম্বৰ ১১ ঃ মহিলা আৰু শিশুসকলৰ ক্ৰোধ হিংসাৰ পৰা ঈশ্বৰে ৰক্ষা কৰিবৰ বাবে।

নৱেম্বৰ ১২ ঃ এই মাহত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আৱশ্যকীয় পুঁজি যোগাবলৈ।

নৱেম্বৰ ১৩ ঃ আটাই খ্ৰীষ্টিয়ান অনুস্থান আৰু মণ্ডলীসমূহক ৰক্ষা আৰু আশীৰ্বাদৰ বাবে।

নৱেম্বৰ ১৪ ঃ সকলো দিশত আমাৰ দেশখনে প্ৰগতি আৰু একতা হ'বৰ বাবে।

নৱেম্বৰ ১৫ ঃ প্ৰত্যেক বিশ্বাসীসকলৰ হৃদয়ৰ চকুক উজ্জ্বল কৰিবৰ বাবে।

নৱেম্বৰ ১৬ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আৰু তেওঁলোকৰ অধ্যয়নৰ বাবে।

নৱেম্বৰ ১৭ ঃ এই বৰ্ষত আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলত আৰু অধিক ছাত্ৰ আৰু ছাত্ৰী পাবলৈ।

নৱেম্বৰ ১৮ ঃ এচ, চাম ছেলভা ৰাজ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়াল বৰ্গৰ ৰক্ষাৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

২। তেওঁলোকে নিজকে সেই পালকজন আৰু সেই মণ্ডলীটিৰ সৈতে লাগি থাকিব লাগে আৰু সেই মণ্ডলীৰ সকলো কাৰ্য্যকলাপবিলাকত লিপ্ত হৈ থাকিব লাগে।

৩। তেওঁলোকে সম্পূৰ্ণ হৃদয়ৰে পালকজনক আৰু মণ্ডলীক সহায় কৰিব লাগে আৰু প্ৰভুৱে চলোৱা মতে চলিব লাগিব।

"যিবিলাকক যিহোৱাৰ গৃহত ৰোৱা হয়, সিবিলাক আমাৰ চোতাল কেইখনৰ প্ৰফুল্লিত হ'ব" (গীতমালা ৯২ঃ১৩)

## ৩। উচ্চাভিলাষী ব্যক্তিয়ে ঈশ্বৰৰ ইচ্ছাক পৰিপূৰ্ণ কৰে!

প্ৰভু যীচু খ্ৰীষ্ট যেতিয়া পৃথিৱীত আছিল তেতিয়া তেওঁৰ এক উদ্দেশ্য আছিল। বহুতে বিভিন্ন আশাৰে তেওঁক অনুসৰণ কৰিছিল। তেওঁ বহুত কৰ্তব্য কৰিলে আৰু অভিজ্ঞতাও পালে। তথাপি, তেওঁক যি উদ্দেশ্যেৰে ঈশ্বৰৰ দ্বাৰাই পঠোৱা হৈছিল সেই উদ্দেশ্যক পৰিপূৰ্ণ কৰাত তেওঁ যত্নৱান আছিল ঃ "**মোক পঠোৱা জনাৰ ইচ্ছা পালন কৰা আৰু তেওঁৰ কাৰ্য সিদ্ধি কৰাই মোৰ আহাৰ**" (যোহন ৪ঃ৩৪)।

যীচু খ্ৰীষ্টে তেওঁৰ উদ্দেশ্য পৰিপূৰ্ণ কৰাত বহুত বিৰোধ আৰু অপবাদৰ সন্মুখীন হৈছিল। তেওঁৰ সময়ত মানুহবিলাকে বিশ্বাস নকৰিলে (মথি ১৩ঃ৫৪)। তেওঁক মচীহা বুলি গ্ৰহণ নকৰিলে (যোহন ১ঃ১১)। তেওঁবিলাকে তেওঁক বিৰোধ কৰিলে (মথি ৮ঃ৩৪)। তেওঁবিলাকে তেওঁক বাঢ়ৈৰ পুতেক বুলি ঠাট্টা কৰিলে (মথি ১৩ঃ৫৫)। তেওঁক অপবাদ দিয়া প্ৰশ্নবোৰে তেওঁৰ মনত আঘাত দিছিল (যোহন ৮ঃ৬)। তেওঁক চাবুকেৰে কোবোৱা হৈছিল (মথি ২৭ঃ২৬)। তেওঁবিলাকে তেওঁৰ মুখত থু পেলাইছিল (মাৰ্ক ১৫ঃ১৯)। তেওঁৰ হাত ভৰিত গজাল মাৰি ক্ৰুচত দি বধ কৰিলে (মাৰ্ক ১৫ঃ২৪)।

এই সকলো তিক্ত অভিজ্ঞতাৰ মাজতো, যীচুৱে যি উদ্দেশ্য লৈ এই পৃথিৱীলৈ আহিছিল সেই উদ্দেশ্যক নেহেৰুৱালে। তেওঁৰ পিতৃৰ ইচ্ছাক পৰিপূৰ্ণ কৰিবলৈ এই উচ্চাভিলাষ আছিল। তেওঁ এজন উচ্চাভিলাষী ব্যক্তি নাছিলনে? আমিও তেওঁৰ দৰে হ'ব লাগে।

প্ৰিয় ঈশ্বৰৰ সন্তানসকল, আপোনাৰ জীৱনত কি উচ্চাভিলাষ আছে? আপুনি ঈশ্বৰক সন্তোষ্ট কৰিব লাগে। যদি আপুনি ঈশ্বৰৰ পৰিকল্পনাক পৰিপূৰ্ণ কৰাত আপোনাৰ উচ্চাভিলাষত বলৱান হৈ আছে, তেওঁ আপোনাক নিশ্চয়ে আশীৰ্বাদ কৰিব।

## ৪। উচ্চাভিলাষী লোকে তেওঁবিলাকৰ কাৰ্য সিদ্ধ কৰে!

"**তুমি মোক যি কৰ্ম কৰিবলৈ দিছিলা, মই তাক সিদ্ধ কৰি, পৃথিৱীত তোমাক মহিমান্বিত কৰিলো**" (যোহন ১৭ঃ৪)। যেতিয়া যীচুৱে এইদৰে প্ৰাৰ্থনা কৰিলে আমি বুজি পাওঁ যে আমাৰো কাৰ্য সিদ্ধ কৰাৰ দায়িত্ব আছে, যি দায়িত্ব ঈশ্বৰে আমাক দিছে। পাঁচনি পৌলে এইদৰে কয় ঃ "আৰু এতিয়া চোৱা, মই আত্মাত বন্ধ হৈ যিৰূচালেমলৈ গৈছো, তাতে মোলৈ কি কি ঘটিব, তাক নাজানো; কেৱল ইয়াকে জানিছো যে বন্ধন আৰু ক্লেশে মোলৈ বাট চাই আছে বুলি পবিত্ৰ আত্মাই নগৰে নগৰে মোক সাক্ষ্য দিছে। কিন্তু ঈশ্বৰৰ অনুগ্ৰহৰ শুভবাৰ্তাৰ বিষয়ে সাক্ষ্য দিয়াৰ আৰু মোৰ দৌৰ অৰ্থাৎ প্ৰভু যীচুৰ পৰা পোৱা যি মোৰ পৰিচৰ্যা কাৰ্য তাক সম্পন্ন কৰাৰ লগত তুলনা কৰিবলৈ গ'লে, মোৰ প্ৰাণ মোলৈ প্ৰিয় বুলি একোতে গণ্য নকৰো" (পাঁচনিৰ কৰ্ম ২০ঃ২২–২৪)।

যীচুৱে কয় যে ঈশ্বৰে তেওঁক পালন কৰিবলৈ দিয়া দায়িত্বক সিদ্ধ কৰিলে। পৌলে কয় যে যি পৰিচৰ্যা তেওঁ প্ৰভু যীচু খ্ৰীষ্টৰ পৰা পাইছে তাক সিদ্ধ কৰিবলৈ তেওঁ ইচ্ছা কৰে। এইটো লক্ষ্য কৰিবলগীয়া বিষয় যে যি পৰিচৰ্যা যীচুৱে আগতেই কৰিলে তাক সিদ্ধ কৰিবলৈ পৌলে ইচ্ছা কৰিলে। সেই একেই পৰিচৰ্যা আমাৰ হাততো গতাই দিয়া হৈছে। উদ্দেশ্যৰ অবিহনে ঈশ্বৰে কাকো আহবান নকৰে। যেতিয়া ঈশ্বৰে এজন মানুহক আন্ধাৰৰ পৰা উদ্ধাৰ কৰি তেওঁক নিজ সন্তানৰ দৰে পৰিৱৰ্তন কৰে ঈশ্বৰে তেওঁক সিদ্ধ কৰিবলৈ এক বিশেষ দায়িত্ব দিয়ে। এজনক


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

ATA — Regd. Candidate for Membership — NEHEMIAH BIBLE COLLEGE — CHENNAI — ECHO OF HIS CALL ★ Estd. 1969

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা : ২৪ ঘণ্টা
২। বিব্লিকৰ - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ
ইংৰাজী, হিন্দী আৰু তামিল।
৩। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান
৪। নহিমিয়া বাইবেল কলেজ ( দুটা শাখা) (সন্ধ্যা/বাসগৃহ)
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল (পালকসকলৰ নেটৱৰ্ক)
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। পৰিচৰ্য্যা আৰু সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা-স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্তা মুদ্ৰণ-ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়

| | | |
|---|---|---|
| ১২। দেওবৰীয়া স্কুল। | ঃ | পুৱা ৮.৩০ দেওবাৰ |
| ১৩। তামিল উপাসনা | ঃ | পুৱা৫.০০, ৭.০০ আৰু ১০.০০ দেওবাৰ |
| ১৪। হিন্দী উপাসনা। | ঃ | আবেলি ৫.০০ দেওবাৰ |
| ১৫। তেলেগু উপাসনা | ঃ | আবেলি ৪.০০ দেওবাৰ |
| ১৬। ইংৰাজী আৰু তামিল সেৱা | ঃ | সন্ধ্যা ৬.০০ বজাত দেওবাৰ |
| ১৭। পালকসকলৰ পৰামৰ্শ | ঃ | আবেলি ৪.০০ বজাত দেওবাৰ |
| ১৮। মহিলাসকলৰ প্ৰাৰ্থনা সভা | ঃ | সন্ধ্যা ৫.৩০ বজাত বুধবাৰ |
| ১৯। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন | ঃ | সন্ধ্যা ৬.৩০ বজাত বুধবাৰ |
| ২০। পুৰুষসকলৰ বিশেষ উপাসনা | ঃ | গধূলি ৭.০০ বজাত শুক্ৰবাৰ |
| ২১। শিষ্য সকলৰ সভা | ঃ | সন্ধ্যা ৬.০০ শনিবাৰ |
| ২২। গৃহ সভা | ঃ | সন্ধ্যা ৬.৩০ সোম , মঙ্গল আৰু বৃহস্পতিবাৰ |
| ২৩। বিশেষ প্ৰভু ভোজ | ঃ | পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত |
| 24। সেৱকসকলৰ সভা | ঃ | সন্ধ্যা ৫.৩০ বজাত শুক্ৰবাৰ |
| ২৫। অভিভাৱকসকলৰ প্ৰাৰ্থনা। | ঃ | আবেলি ৪.০০ প্ৰথম দেওবাৰ |
| ২৬। নিশাৰ প্ৰাৰ্থনা। | ঃ | পুৱা ৯.৩০ প্ৰথম শনিবাৰ |
| ২৭। উপবাস প্ৰাৰ্থনা। | ঃ | গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ |
| ২৮। প্ৰভু ভোজ | ঃ | দ্বিতীয় দেওবাৰৰ উপাসনাত |
| ২৯। পুৱাৰ উপাসনা | ঃ | পুৱা ৫.০০ বজাত দৈনিক |
| ৩০। কৰ্মচাৰী সকলৰ আৰাধনা | ঃ | পুৱা ৯.০০ বজাত দৈনিক |
| ৩১। কাৰ্য্যালয়। | ঃ | পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে) |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক হ'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনীখন বিনামূল্যত পাবলৈ এটা উত্তম সুযোগ পাব

যদি আপুনি আপোনাৰ বন্ধুসকলৰ/ সম্বন্ধীয়সকলৰ ঠিকনাসমূহ আমালৈ ডাকযোগে, পত্ৰ, ই-মেইল, ৱাটছ এপ আৰু ফোনৰ যোগেদি পঠায়, তেতিয়া আমি আমাৰ মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিনামূল্যত তেওঁলোকলৈ পঠাম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

# পাব্লিকেশ্বনত মোৰ দৰ্শনৰ অগ্ৰগতি
## PROGRESS OF MY VISION IN PUBLICATIONS!




*এন, যেভানান্দাম*



*ৰে ভাঃ এচ, দেৱাদাচান*

আনকি মোৰ স্কুলৰ দিনৰ পৰাই পুস্তক অধ্যয়ন কৰাত মোৰ বহুত অনুগ্ৰহ আছিল। ভাই এন, যেভানান্দামে লিখা “মাজাইজচি” আলোচনীখন আৰু ৰেভাঃএচ দেভাদাচানে লিখা “হেৰাল্ড এফ হিজ কামিং” এই দুখন বিখ্যাত আলোচনীয়ে মোক উৎসাহ যোগায় আৰুমোক




Registered with the Registrar of News Paper
For India under R.N.I. 11967/'67

வருகை யின் தூதன்

Those who turn the world upside down. Acts.17:6.

Vol. 68 2022 No.9



আগবাঢ়ি যাবলৈ শক্তি দিয়ে। স্বৰ্গ আৰু পৃথিৱীৰ বিষয়ে প্ৰভুৰ পৰা মই এই যি আশীৰ্বাদবোৰ পাইছিলো তাক ছপা কৰা পুস্তকৰ যোগেদি প্ৰকাশ কৰিবলৈ মোৰ এটা গভীৰ ইচ্ছা আছিল। কিন্তু ষ্টেচনাৰী বস্তুৰ বাবে মোৰ হাতত প্ৰয়োজনীয় ধন নাছিল।

গতিকে মই মোৰ আটাই অনুপ্ৰেৰণা আৰু দৰ্শনসমূহক নিয়মীয়াকৈ কাগজত লিখি ৰাখিবলৈ আৰম্ভ কৰিছিলো; আৰু সেই কাগজখিনিৰ ওপৰত মোৰ হাত দুখন ৰাখি প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰিছিলো আৰু অধিক আগলৈ যাবলৈ প্ৰভুৰ সহায় বিচাৰিছিলো। মই বহুত চিন্তিত হৈ পৰিছিলো কিয়নো মোৰ কোঠালিত মই লিখা কাগজবোৰ দ’ম খাই আছিল। গতিকে কাপোৰ আৰু আন আন বস্তু কিনাৰ পৰিৱৰ্তে যি কিছু ধন মোৰ হাতত আছিল তাৰে মই কাগজত, পেন, চিয়াহী ইত্যাদি কিনিলো আৰু ঈশ্বৰৰ পৰা পোৱা বাৰ্তা সমূহক মই লিখিবলৈ ল’লো আৰু আনবিলাকক বিলাই দিছিলো।

যেতিয়াই মই মোৰ বন্ধুসকললৈ আৰু যাক যাক মই লগ পাইছিলো তেওঁলোকলৈ মই পত্ৰিকা বিলাইছিলো, তেওঁলোকে মোক প্ৰশংসা কৰিছিল। কিছু মাহৰ ভিতৰত এই বাৰ্তাসমূহক মই টাইপ ৰাইটিং মেচিনত টাইপ কৰিছিলো আৰু চাইক্লচটাইলিং কৰিছিলো আৰু সেইবোৰ মোৰ মুৰ আৰু কান্ধত তুলি কঢ়িয়াইছিলো। পুনৰ কিছু দিনৰ পাছত মই আৰু অধিক পাত ছপা কৰি এই বাৰ্তাসমূহ বিলাইছিলো আৰু এইদৰে মই মোৰ ছপা কৰা পৰিচৰ্য্যাৰ আৰম্ভণি কৰিছিলো।

সৰ্বপ্ৰথমে দ্বিভাষীক তামিল আৰু ইংৰাজীত মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আৰম্ভ কৰিছিলো তাৰ পাছত তামিল




*Echo of His Call Magazines in 16 languages*



*Mr. M. Munusami*

আৰু ইংৰাজীত পাক্ষিক আলোচনী আৰু পাছত তামিল আৰু ইংৰাজীত দুখন বেলেগ বেলেগ পঞ্জীয়নভুক্ত আলোচনীত পৰিণত হ’ল। এতিয়া মাহেকীয়া আলোচনীখন তামিল, ইংৰাজী, চিনহালা, মালায়ালম, আফ্ৰিকা, তেলেগু, হিন্দী, কানাড়া, মাৰাঠি, অসমীয়া, বেংগলী, উৰ্দু, নেপালী, গুজৰাটী, উৰিয়া আৰু পাঞ্জাৱী ভাষাত পাব্লিচ কৰা হৈ আছে। পঞ্জীয়নভুক্ত এই তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনীখন ১৬ টা ভাষাত পাব্লিচ কৰা এইখনেই এখন বিশ্বব্যাপী সাময়িক পত্ৰিকা। এই আলোচনী সমূহক ব্যক্তিগতভাৱে ভাৰত চৰকাৰৰ লগত পঞ্জীয়নভুক্ত কৰা হৈছে। আগতে মই সেইবোৰক চাইকেলত পাছত ঈশ্বৰে মোক এখন মটৰ চাইকেল যোগালে আৰু ইয়াত মই মোৰ কন্যা এঞ্জেলিন ছেলভা কুমাৰীক উঠাই দূৰ-দূৰণি ঠাইলৈ যাত্ৰা কৰিছিলো।

মই এই মাহেকীয়া আলোচনীখনৰ বিষয়বস্তু সমূহ তামিল আৰু ইংৰাজী ভাষাত লিখাৰ পাছত কোনো বাধা নোহোৱাকৈ ঈশ্বৰে এইসকল



*Pr. Sam with his daughter Angeline carried magazines for distribution*

আমাৰ সহকাৰী সম্পাদক, অনুবাদক আৰু কৰ্মীসকলৰ যোগেদি সহায় কৰি আছে। আপোনাৰ প্ৰাৰ্থনাৰ বাবে তেওঁলোকৰ নাম তলত উল্লেখ কৰিলোঃ

ভনী চেৰেনা বেভিন। ৰেভাঃ ডাক্তৰ কে, আৰ ৰাজেচকাৰাণ, ডাক্তৰ এ, ৰিচাৰ্ড চমুৱেল, ভনী মঞ্জোলা উইৰাবাবু, ভনী ৰেণুকা ৰাজাপাক্‌চা, ইভ বেঞ্জামীন মজেচ, ভাই মহন কুমাৰ, ডাক্তৰ মাৰিয়েটজি নেলচন, ভাই এ-, মহন বাবু, ভনী দৰথি এচ থমাচ, ৰেভাঃ আৰ, ৰামাকৃষ্ণা, ৰেভাঃ চাশী তিৱাৰী, পালক জছুৱা ৰাজ, ভনী বৰ্ণালী ৰাজ, ৰেভাঃ ডাক্তৰ অঞ্জন কুমাৰ সিং, ভাই ইন্দ্ৰজিত ৰয়, পালক, চিভিন্দেৰ কুমাৰ, ভাই ভুবাল দেৱকটা, ভাই ৰাজকুমাৰ ভাণ্ডাৰী, ভাই পংকজ চি, ৱাদিয়া, ভাই এন প্ৰকাশম, ভনী গীতা গুৰুস্বামী, ভনী ই দেইচি, ৰাণী, ভনী এচ, থিৰুমাগাল, ভাই জন ৰড্ৰিক্‌চজ, ভাই চি, এন্থনী ৰাজ, ভাই চি, জে, যচেফ, ভনী ই, ভিচালাচি, ভনী এচ, প্ৰাভাৱাতি, ভাই এম, মানী, ভাই কে, ইন্দ্ৰেচ কুমাৰ, ভাই এল, মোহন, ভাই আৰ, ইম্মানুৱেল পৌল আৰু ভাই আৰ, বিজয়। আমাৰ দৃষ্টিত অতি আচৰিত লাগে। "এইয়া যিহোৱাৰেই কাৰ্য, আমাৰ দৃষ্টিত অতি আচৰিত লাগে"(গীতমালা ১১৮ঃ২৩)

"তেওঁ ধূলিৰ পৰা কঙালক তোলে আৰু গোবৰৰ দ'মৰ পৰা দৰিদ্ৰক উঠায়" (১ চামুৱেল ২ঃ৮) ❖❖❖❖❖

....Contd. from page 6

যেতিয়া ঈশ্বৰে তেওঁৰ পৰিচৰ্যাক সিদ্ধ কৰিবলৈ দায়িত্ব দিয়ে তেওঁ শেষলৈকে তেওঁৰ উদ্দেশ্যত স্থিৰ হৈ থাকিব লাগে। আজিকালি বহুতে তেওঁবিলাকৰ ডাঙৰ ডাঙৰ পৰিকল্পনাবিলাক চলাই নিবলৈ আৰম্ভ কৰে। কিন্তু যেতিয়া তেওঁবিলাক বাধাৰ সন্মুখীন হয়, তেওঁবিলাকে ত্যাগ কৰে আৰু বেলেগ বিষয়লৈ ঘূৰি যায়। অৱশেষত তেওঁবিলাক ব্যৰ্থতাৰ সন্মুখীন হয়। যদি আপোনাৰ এটা দৰ্শন আছে, এই দৰ্শনক আপুনি আপোনাৰ জীৱনতকৈয়ো উত্তম বুলি গণ্য কৰিব লাগে। যিজন ব্যক্তিৰ উচ্চাভিলাষ থাকে তেওঁ শাৰীৰিক মৃত্যুক ভয় নকৰে।

আজি, মই এই বাক্যবোৰ কওঁতে, যি মানুহে মোক দেখিব, ক'ব পাৰে যে, "এতিয়া ভাই চামৰ কিনো সমস্যা আছে?" কিন্তু তেওঁবিলাকে নাজানিব পাৰে যে মোৰ দৰ্শন আৰু উচ্চাভিলাষ পৰিপূৰ্ণ কৰোতে যোৱা ৪২ বছৰে মই কিমান যে কষ্ট আৰু খৰছ কৰিলো। বহুত সময়ত মই ডাঙৰ ডাঙৰ সমস্যা, শাৰীৰিক দুৰ্বলতা আৰু আৰ্থিক দুৰৱস্থাৰ হেঁচাত পৰিছিলো। বহুত সময়ত নিজৰ পৰিয়ালবৰ্গ আৰু মোৰ নলেগলে লগা বন্ধুৱেও মোলৈ সমস্যাৰ সৃষ্টি কৰিছিল।

এতিয়াও কিছুমান শক্তিয়ে ঈশ্বৰে মোক দিয়া দৰ্শনক সিদ্ধ কৰাত বাধা দিবলৈ চেষ্টা কৰি আছে আৰু মোৰ উচ্চাভিলাষী যাত্ৰাত বাধাৰ সৃষ্টি কৰিছে। কিন্তু মই মোৰ বিশ্বাসত বলবান হৈ আছো যাতে মোক শক্তি দিয়া জনাত থাকি মই সকলো বিষয়তে বলৱান হৈ থাকিম (ফিলিপীয়া ৪ঃ১৩)। কিয়নো মই যি জনাক বিশ্বাস কৰিলো তেওঁক জানো (২ তীমথিয় ১ঃ১২)। ইয়োবৰ সৈতে ময়ো স্বীকাৰ কৰি কওঁ যে, "চোৱা তেওঁ মোক বধ কৰিব, মই তেওঁলৈ অপেক্ষা কৰি থাকিম; তথাপি তেওঁৰ আগত মোৰ আচৰণৰ নিৰ্দোষীতা প্ৰমাণ কৰিম" (ইয়োব ১৩ঃ১৫)। এই বিশ্বাসত মই বলৱান হৈ আছো। প্ৰিয় পঢ়ুৱৈসকল, আপোনালোকেও মোৰ দৰে হ'ব পাৰিবনে? এজন ব্যক্তি যিজনৰ প্ৰভুৰ পৰিচৰ্যা কৰিবলৈ উচ্চাভিলাষ আছে?

সাধু পৌলে যিৰূচালেমত তেওঁলৈ আহিবলগীয়া তাড়ণা আৰু শিকলিবোৰে অপেক্ষা কৰি আছে বুলি জানিও ঈশ্বৰৰ পৰা পোৱা আহবানৰ পৰা তেওঁ ঘুৰি নগ'ল। তেওঁ তীমথিয়লৈ এইদৰে লিখিছে, "মই সেই উত্তম যুদ্ধত প্ৰাণপণ কৰিলো, নিৰূপিত পথৰ শেষলৈকে দৌৰিলো, বিশ্বাস ৰাখিলো" (2 তীমথিয় 4ঃ7)। এই দৌৰত দৌৰিবলৈ হ'লে ঈশ্বৰে আমালৈ নিৰূপিত কৰি দিয়া বৰবিলাকক ব্যৱহাৰ কৰোহক। এজন উচ্চাভিলাষী ব্যক্তিৰ দৰে পৰিৱৰ্তন হ'বলৈ নিজকে শোধাই দিয়ক আৰু কওঁক, "মই আনন্দেৰে মোলৈ নিৰূপিত কৰি দিয়া দৌৰত দৌৰিলো।"

## ৫। উচ্চাভিলাষী ব্যক্তি যিবিলাকৰ লক্ষ্যই হৈছে স্বৰ্গ !

সাধু পৌলে ফিলিপীয়া ৩ঃ১৩-১৪ পদত এই দৰে কয়, "মই যে ধৰিলো, নিজৰ বিষয়ে এনে ভাব এতিয়ালৈকে কৰা নাই, কিন্তু এটা কথা, পাছত থকা সকলোকে পাহৰি, আগত থকাবোৰলৈ যত্ন কৰি, খ্ৰীষ্ট যীচুত ঈশ্বৰে কৰা স্বৰ্গীয় আমন্ত্ৰণৰ বঁটাৰ অৰ্থে ঘাইলৈ লৰি গৈ আছো।" আমাৰ সকলোৰে আত্মিক লক্ষ্য থকাটো ঈশ্বৰে বিচাৰে।

আমাৰ লক্ষ্য কি? আমাৰ লক্ষ্য হৈছে স্বৰ্গ। যেতিয়া আমি আমাৰ জীৱনৰ সকলো বস্তু এই লক্ষ্যলৈ আগবঢ়াই দিওঁ ঈশ্বৰে আমাক আশীৰ্বাদ কৰিব। যদি আমি আমাৰ লক্ষ্যক জাগতিক বস্তুৰ ওপৰত গতাই দিওঁ, তেন্তে আমি নিশ্চয় ব্যৰ্থ হ'ম। আমাৰ সকলো মাংসৰ অভিলাষক আমাৰ পাছফালে পেলাই দি, আমাৰ আগত ক্ৰুচক ৰাখি আমি আমাৰ লক্ষ্য অৰ্থাৎ স্বৰ্গৰ ফালে অগ্ৰগতি হ'ব লাগিব। প্ৰভু যীচুক নজনা লোকবিলাকক সহায় কৰিবলৈ আমাৰ হৃদয়ত ইচ্ছা থাকিব লাগে যাতে তেওঁবিলাকো পৰিত্ৰাণ পাব পাৰে।

স্বৰ্গ আমাৰ লক্ষ্য হওক আৰু এই মূল্যবান লক্ষ্যক ঢুকি পাবলৈ উচচভিলাষী ব্যক্তিলৈ ৰূপান্তৰিত হওঁহক।

❖❖❖❖❖

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি
## ইউ টিউব

যেতিয়া আপুনি সময় পাব দয়া কৰি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেলটোক চাব আৰু চাবচ্ক্ৰাইব কৰিব। ধন্যবাদ।

— সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th OCTOBER 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**